# অসমৰ বাহিৰত বসবাসকাৰী এন আৰ চি আবেদনকাৰীসকলৰ বাবে বিশেষ ঘোষণা

# মাঘ বিহুৰ আনন্দ উপভোগ কৰাৰ লগতে এন আৰ চি সেৱা কেন্দ্ৰভিত্তিক বিশেষ পৰীক্ষণ অভিযানত অংশগ্ৰহণ কৰক

NATIONAL REGISTER OF CITIZENS

*বৰ্তমানে অসমৰ বাহিৰত থকা এন আৰ চি আবেদনকাৰীসকলে এন আৰ চিৰ সুযোগতে আহকচোন এইবাৰ মাঘ বিহু অসমতে উপভোগ কৰক। বিহুৰ মাজতে এটা দিন উলিয়াই আপোনাৰ বাবে নিৰ্দ্ধাৰিত এন আৰ চি সেৱা কেন্দ্ৰত আহি আপোনাৰ ফৰ্মখন পৰীক্ষা কৰাই লওক।*



**আমি "এন আৰ চি সেৱা কেন্দ্ৰভিত্তিক বিশেষ পৰীক্ষণ অভিযান"ৰ শুভাৰম্ভ কৰিছো**

**সময়সীমাঃ ১ৰ পৰা ১৮ জানুৱাৰী ২০১৬** ** দেওবাৰ আৰু মাঘ বিহুৰ ছুটিৰ দুদিন - ১৫ - ১৬ জানুৱাৰী ২০১৬ বাদে*

**স্থান ঃ আপোনাৰ নিৰ্দ্ধাৰিত এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)**

**সময় ঃ ১-৮ জানুৱাৰী ২০১৬ ঃ পুৱা ১০:০০ বজাৰ পৰা দুপৰীয়া ১২:০০ বজালৈ**
**৯-১৮ জানুৱাৰী ২০১৬ ঃ পুৱা ১০:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ**

**কাৰ বাবে ঃ ১) বৰ্তমানে অসমৰ বাহিৰত থকা আবেদনকাৰীসকল ২) অসমত বসবাসকাৰী যিসকল আবেদনকাৰীয়ে তেওঁলোকৰ ঘৰলৈ/অঞ্চললৈ অহা পৰীক্ষণকাৰী বিষয়াৰ দলক সাক্ষাৎ কৰিব নোৱাৰিলে**





## এন এছ কে ভিত্তিক পৰীক্ষণ অভিযান কি ?

**অসমৰ বাহিৰত থকা এন আৰ চি আবেদনকাৰীসকলে তেওঁলোকৰ বিহুত অসম ভ্ৰমণৰ পৰিকল্পনা নিৰ্দ্ধাৰিত এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)ত গৈ স্ব-পৰীক্ষণৰ সময়সীমাৰ লগত মিলাই স্থিৰ কৰিব পাৰে।**

❖ যদি আপুনি অনলাইনযোগে আবেদনপত্ৰ দাখিল কৰিছে তেনেহ'লে আপুনি আপোনাৰ নিৰ্দ্ধাৰিত এন এছ কে নাজানিবও পাৰে। এইক্ষেত্ৰত আপুনি এন আৰ চি অসমৰ ওৱেবচাইট (www.nrcassam.nic.in)ত গৈ "ন' ইয়ৰ এন এছ কে" শীৰ্ষত আপোনাৰ নিৰ্দ্ধাৰিত এন এছ কে বিচাৰি চাব পাৰে। সাধাৰণতে নিৰ্দ্ধাৰিত এন এছ কে আপোনাৰ বৰ্তমানৰ ঠিকনাৰ অঞ্চলত থাকিব। যদি আপোনাৰ বৰ্তমানৰ ঠিকনা অসমৰ বাহিৰত হয় তেন্তে এন এছ কে আপোনাৰ স্থায়ী বাসস্থানৰ ঠিকনাৰ এলেকাত হ'ব। অসমতে বাস কৰা অনলাইন আবেদনকাৰীসকলেও তেওঁলোকৰ নিৰ্দ্ধাৰিত এন এছ কে বিচাৰি উলিয়াব পাৰে।

❖ **আবেদনকাৰীসকলে পৰীক্ষণৰ বাবে নিম্নলিখিতখিনি লগত আনিব লাগিব ঃ**

১. প্ৰাপ্তি স্বীকাৰৰ ৰছিদ

২. আবেদনপত্ৰৰ লগত দাখিল কৰা নথিপত্ৰসমূহ। মূল নথিসমূহেই আনিব লাগে যদিও এইবোৰ নাথাকিলে স্পষ্ট ফটোকপি আনিব লাগিব

৩. কোনো অতিৰিক্ত নথি আবেদনকাৰীয়ে যদি দাখিল কৰিব বিচাৰিছে

৪. পূৰণ কৰা বংশবৃক্ষৰ ফৰ্ম

- কোনো অসাধু ব্যক্তিৰ দ্বাৰা এন আৰ চিত নাম অন্তৰ্ভূক্তিৰ বাবে উত্থাপিত মিছা দাবী চিনাক্ত কৰি পৰীক্ষণ প্ৰক্ৰিয়াটো সুকলমে সম্পন্ন কৰিবলৈ আবেদনকাৰীৰ দ্বাৰা পৰিয়ালৰ বংশবৃক্ষ দাখিল কৰাটো এক অতি প্ৰয়োজনীয় কৰ্তব্য।
- সেয়েহে, আপুনি এন এছ কে লৈ আহিলে পৰীক্ষণকাৰী বিষয়াৰ দলে আপোনাৰ পৰা বংশবৃক্ষৰ বিৱৰণ বিচাৰিব। এই কাৰ্য্য এন এছ কে কৰ্তৃপক্ষৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা বংশবৃক্ষৰ ফৰ্মখনত দিব লাগিব।
- বৰ্তমানে অসমৰ বাহিৰত বসবাস কৰা আবেদনকাৰীসকলে এন আৰ চি অসমৰ ওৱেবচাইট (www.nrcassam.nic.in)ৰ পৰা পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্মৰ 'পি ডি এফ' ডাউনলোড কৰি ল'ব পাৰে।
- পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্মখন কিদৰে পূৰণ কৰিব আৰু ফৰ্মখন দাখিল কৰা কিয় ইমান গুৰুত্বপূৰ্ণ তাৰ সবিশেষ জানিবলৈ আমাৰ ওৱেবচাইট চাব পাৰে।
- এই ফৰ্মখন অনলাইনত দাখিল কৰিব পৰা নাযায় আৰু কেৱল এন এছ কে ত এইখন দাখিল কৰিব লাগিব।
- আবেদনকাৰীসকলে এন এছ কেত গৈ পূৰণ নকৰা পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্ম এখন সংগ্ৰহ কৰি সেই ফৰ্মখন পূৰণ কৰি একেদিনাই এন এছ কেত দাখিল কৰিব পাৰে।
- আবেদনকাৰীসকলে আগতীয়াকৈ এই ফৰ্মখন পূৰণ কৰি থলে এন এছ কেত গৈ কম সময়ৰ ভিতৰতেই দাখিল প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব।

❖ পৰিয়ালৰ সকলো সদস্যই এন এছ কে লৈ যোৱাটো সম্ভৱ নহ'লে পৰিয়ালৰ মূৰব্বী বা পৰিয়ালৰ জ্যেষ্ঠ সদস্য এজনে পৰিয়ালৰ সকলো সদস্যৰ পৰিচয়পত্ৰসহ এন এছ কে লৈ গৈ পৰীক্ষণ কৰাই ল'ব পাৰে।

❖ অসমৰ বাহিৰত বসবাস কৰা আবেদনকাৰীসকলে পৰীক্ষণৰ বাবে এন এছ কে যোৱাটো বাধ্যতামূলক নহয়। পৰীক্ষণকাৰী বিষয়াৰ দল সন্তুষ্ট হ'লে আবেদনকাৰীৰ ব্যক্তিগত উপস্থিতি অবিহনেও পৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন কৰিব পৰা যায় যদিও পৰীক্ষণকাৰীৰ বিষয়াৰ দলে আবেদনকাৰীৰ যোগ্যতা প্ৰতিপন্ন কৰিবলৈ কিবা অসুবিধাৰ সন্মুখীন হ'লে সেইক্ষেত্ৰত আবেদনক মাতি পঠিওৱা হ'ব।

❖ **পৰীক্ষণকাৰী দল ঘৰে ঘৰে/এলেকালৈ অহাৰ সময়ত অনুপস্থিত থকা আবেদনকাৰীসকলেও এই বিশেষ অভিযানৰ সময়তেই নিজৰ নিজৰ নিৰ্দ্ধাৰিত এন এছ কে লৈ গৈ ফৰ্মখন পৰীক্ষা কৰাই লোৱাৰ শেষ সুযোগ গ্ৰহণ কৰিব পাৰিব।**



*বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে*

**আমাৰ টোল ফ্ৰী হেল্পলাইন নম্বৰ 15107 (অসমৰ বাবে) /1800 345 3762 (অন্য ৰাজ্যৰ বাবে)**

**আমাৰ ৱেবচাইট www.nrcassam.nic.in**

**ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।**

nrcassam @NRCupdateAssam ত চাওঁক

Exclusive/NRC/12-2015/29